**অসম বিধান সভা**
**মৌখিক প্ৰশ্ন নং-৮৪**
**উত্তৰ দিয়াৰ তাৰিখ-১০/০৭/২০২৬**

বিষয়ঃ করিমগঞ্জ সিভিল হাসপাতাল ভবনের মেরামত সম্পর্কিত।
শ্রী জাকারিয়া আহমেদ, মাননীয় বিধায়ক।

মাননীয় স্বাস্থ্য ও পরিয়াল কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) করিমগঞ্জ সিভিল হাসপাতালের লিফট বিগত এক বছর ধরে বন্ধ থাকার বিষয়ে সরকার অবগত কি? যদি অবগত, তবে বিল্ডিং রিপেয়ারিং ও লিফট সচল রাখার জন্য সরকার কী কী পদক্ষেপ গ্রহণ করেছে?
(খ) করিমগঞ্জ সিভিল হাসপাতালে বর্তমানে মোট কতটি কেবিন রয়েছে এবং তার মধ্যে কতগুলি ব্যরহারযোগ্য অবস্থায় আছে?
(গ) হাসপাতালে ICU এর মোট ধারণক্ষমতা কত? বর্তমানে কতটি বেড সম্পূর্ণ কার্যকর ও সুবিধাসম্পন্ন অবস্থায় রয়েছে? ICU তে বর্তমানে কোনো RMO কর্মরত আছেন কি ? যদি না থাকেন, তবে এ বিষয়ে সরকার কী ব্যবস্থা গ্রহণ করেছে ?
(ঘ) উক্ত হাসপাতালে বর্তমানে কোনো Radiologist, Nephrologist, Anaesthetist ও General Surgeon নাই। উক্ত শূন্যপদ পূরণ ও সংশ্লিষ্ট চিকিৎসা পরিষেবা চালুর জন্য সরকারের কী পরিকল্পনা রয়েছে?
(ঙ) করিমগঞ্জ সিভিল হাসপাতালে বর্তমানে কতজন Contractual Staff কর্মরত আছেন? উক্ত কর্মীদের Regularisation এর জন্য সরকারের কোনো পরিকল্পনা আছে কি? যদি থাকে, তবে তার বিস্তারিত তথ্য সদনে প্রদান করার অনুরোধ জানাই।

**উত্তৰ-**

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীঅশোক সিংহল মহোদয়ে উত্তৰ দিবঃ

**(ক)** কৰিমগঞ্জ চিভিল হাস্পতালত স্থাপিত দুটা লিফ্টৰ ভিতৰত এটা লিফ্ট বৰ্তমান অচল হৈ আছে। লিফ্ট মেৰামতি আৰু ভৱন মেৰামতিৰ বাবে ASSIST Project-ৰ অধীনত এখন প্ৰস্তাৱ প্ৰস্তুত কৰি লোক নিৰ্মাণ বিভাগ (গৃহ)লৈ প্ৰেৰণ কৰা হৈছে। মেৰামতিৰ কাম শীঘ্ৰেই আৰম্ভ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**(খ)** কৰিমগঞ্জ চিভিল হাস্পতালত মুঠ ১০ (দহ)টা কেবিন আছে আৰু আটাইকেইটা কেবিন ব্যৱহাৰযোগ্য অৱস্থাত আছে।

**(গ)** হাস্পতালখনৰ Intensive Care Unit (ICU)-ত মুঠ ২০ খন বিচনাৰ ব্যৱস্থা আছে। ইয়াৰে বৰ্তমান ১১ (এঘাৰ)খন বিচনা সম্পূৰ্ণৰূপে কাৰ্যক্ষম। ICU-ত বৰ্তমান কোনো Resident Medical Officer (RMO) নিযুক্ত নাই। প্ৰয়োজন অনুসৰি RMO National Health Mission (NHM)-ৰ ফালৰ পৰা উপযুক্ত সময়ত নিয়োজিত কৰাৰ বিষয়টো বিবেচনা কৰা হৈছে।

**(ঘ)** হাস্পতালখনত পূৰ্বে এজন Radiologist আছিল যদিও তেওঁ পদত্যাগ কৰিছে। বৰ্তমান ছমহীয়া Sonography প্ৰশিক্ষণপ্ৰাপ্ত এজন চিকিৎসা বিষয়াই কৰিমগঞ্জ চিভিল হাস্পতালত USG সেৱা আগবঢ়াই আছে। হাস্পতালখনত বৰ্তমান কোনো Nephrologist নাই। Anaesthetist বৰ্তমান দুজন আছে। তাৰে এজন In-charge Superintendent হিচাপে দায়িত্ব পালন কৰি আছে আৰু আনজন National Health Mission (NHM)-ৰ অধীনত এক বছৰীয়া Post PG-ত নিয়োজিত আছে।প্ৰয়োজন অনুসৰি Radiologist, Anaesthetist, RMO আদি National Health Mission (NHM)-ৰ ফালৰ পৰা উপযুক্ত সময়ত নিয়োজিত কৰাৰ বিষয়টো বিবেচনা কৰা হৈছে।

**(ঙ)** বৰ্তমান কৰিমগঞ্জ চিভিল হাস্পতাল Society-ৰ অধীনত ৫৮ জন Contractual Staff চুক্তিভিত্তিক কৰ্মচাৰী নিয়োজিত আছে। স্বাস্থ্য প্ৰতিষ্ঠানৰ Hospital Management Society-ৰ জৰিয়তে নিয়োজিত আৰু Hospital Management Society-ৰ পুঁজিৰ পৰা পাৰিশ্ৰমিক লাভ কৰা এনে কৰ্মচাৰীসকলক নিয়মীয়াকৰণৰ সুবিধা প্ৰদান কৰাৰ বাবে চৰকাৰৰ কোনো নীতি বা আইনী বিধান বৰ্তমান প্ৰচলিত নাই।

*********

বিঃদ্রঃ উত্তৰ আৰু পৰিশিষ্ট অসম বিধানসভাৰ ৱেবছাইটত আপলোড কৰা হৈছে ।